# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-03-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবুলি অভিযোগ কৰিছে যে আনক নিন্দা আৰু ঠাট্টা কৰাটো কংগ্ৰেছৰ পুৰণি সংস্কৃতি।

২। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে।

৩। বিদেশ মন্ত্ৰালয়ে কৈছে যে, দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰালয়ে কৰা মন্তব্য সচাকৈ অবাঞ্চনীয়।

৪। বেংগালুৰুৰ হিন্দুস্তান এৰোনেটিক লিমিটেডৰ কেন্দ্ৰৰ পৰা আজি লঘু যুঁজাৰু বিমান **তেজছ এম কে ওৱান এৰ** প্ৰথম উৰণ সম্পন্ন কৰা হয়। ***আৰু***

৫। ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি. ভি. সিন্ধু মাড্ৰিদ স্পেইন মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবুলি অভিযোগ কৰিছে যে আনক নিন্দা আৰু ঠাট্টা কৰাটো কংগ্ৰেছৰ পুৰণি সংস্কৃতি। ন্যায়পালিকাৰ সততা বিনষ্ট কৰাৰ বাবে চলোৱা প্ৰচেষ্টাক লৈ উদ্বেগ প্ৰকাশ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়লৈ অধিবক্তাসকলৰ এটা গোটে লিখা এখন পত্ৰৰ উদ্ধৃতি দি প্ৰধানমন্ত্ৰীয়ে আজি সামাজিক মাধ্যমযোগে এই অভিযোগ উত্থাপন কৰে। শ্ৰীমোদীয়ে কয় যে ৫ দশক পূৰ্বে কংগ্ৰেছে প্ৰতিশ্ৰুতিবদ্ধ ন্যায়পালিকাৰ আহ্বান জনাইছিল। কংগ্ৰেছে আনৰ পৰা প্ৰতিশ্ৰুতিবদ্ধতা বিচাৰে যদিও ৰাষ্ট্ৰৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়টোৰ পৰা আঁতৰি ফুৰে বুলি প্ৰধানমন্ত্ৰীয়ে দাবী কৰে। তেওঁ কয় যে, ১৪০ কোটি ভাৰতীয়ই কংগ্ৰেছক প্ৰত্যাখ্যান কৰাটো কোনো ডাঙৰ কথা নহয়।

হৰিশ ছালভে, মনন কুমাৰ মিশ্ৰা, আৰু পিংকী আনন্দসহ একাংশ আগশাৰীৰ অধিবক্তাই উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ এই পত্ৰখন প্ৰেৰণ কৰিছে। পত্ৰখনত তেওঁলোকে ন্যস্ত স্বাৰ্থজড়িত এটা গোটে তুচ্ছ যুক্তি আৰু পুৰণি ৰাজনৈতিক কাৰ্যসূচীৰ ভিত্তিত ন্যায়পালিকাৰ ওপৰত হেচা প্ৰয়োগ কৰা, আইনী প্ৰক্ৰিয়া প্ৰভাৱিত কৰা আৰু ন্যায়ালয় সমূহক বদনাম কৰাৰ প্ৰয়াস চলাই আছে বুলি উল্লেখ কৰিছে। ৰাজনৈতিক গোচৰ বিশেষকৈ ৰাজনৈতিক

নেতাৰ সৈতে জড়িত দূৰ্নীতিৰ গোচৰসমূহত এনে ধৰণৰ হেচা স্পষ্টভাৱে দেখিবলৈ পোৱা যায় বুলি অধিবক্তাসকলে মন্তব্য কৰিছে।

০০০০

অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ পৰীক্ষাৰ অন্তত আজি ৩৬ খন মনোনয়ন বৈধ বিবেচিত হৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। ইয়াৰে শোণিতপুৰৰ আৰু কাজিৰঙা সমষ্টিৰ পৰা দাখিল কৰা এখনকৈ মনোনয়ন নাকচ কৰা হয়। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে এই বিষয়ে প্ৰকাশ কৰিছে। অহা ৩০ মাৰ্চ অৰ্থাৎ শনিবাৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

ৰাজ্যৰ প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত হ'বলগীয়া লোকসভা নিৰ্বাচনত কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিক সামৰি লোৱা হ'ব। এই নিৰ্বাচনত বিজেপিৰ হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫ টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি লবলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হব।

০০০০

নিৰ্বাচন আয়োগে জম্মু, উধমপুৰ আৰু দিল্লীৰ বিভিন্ন শিবিৰত বাস কৰা কাশ্মীৰি প্ৰব্ৰজনকাৰী ভোটদাতাৰ বাবে বিশেষ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰিছে। ইয়াৰ ফলত জম্মু কাশ্মীৰৰ লোকসভা নিৰ্বাচনৰ সময়ত কাশ্মীৰি শৰনাৰ্থী ভোটাৰসকলে ই ভি এমৰ জৰিয়তে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। আয়োগে কৈছে যে, যিসকল শৰনাৰ্থীৰ সাধাৰণ বাসস্থান জম্মু, উধমপুৰ আৰু দিল্লীৰ ভৌগলিক সীমাৰ বাহিৰত তেওঁলোকে পোষ্টেল বেলটযোগে ভোটদান কৰিব পাৰিব।

০০০০

উড়িশাৰ কটকৰ সাংসদ ভৰ্তৃহৰি মহতাবে আজি বিজেপিত যোগদান কৰিছে। কিছুদিন পূৰ্বে তেওঁ বিজু জনতা দলৰ পৰা পদত্যাগ কৰিছিল। নতুন দিল্লীত থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু সাধাৰণ সম্পাদক বিনোদ তাওড়েৰ উপস্থিতিত শ্ৰীমাহতাবে দলটোত যোগদান কৰে। আজিৰ এই অনুষ্ঠানতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বিজেপিত যোগদান কৰে।

ইপিনে, ৰাচীৰ প্ৰাক্তন বিজেপি সাংসদ তাহল চৌধাৰীয়ে কংগ্ৰেছত যোগদান কৰিছে। নতুন দিল্লীত আজি কংগ্ৰেছ নেতা গুলাম আহমেদ মীৰ আৰু পবন খেৰাৰ উপস্থিতিত শ্ৰীচৌধাৰীয়ে দলটোত যোগদান কৰে।

০০০০

বিদেশ মন্ত্ৰালয়ে কৈছে যে, দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰালয়ে কৰা মন্তব্য সচাকৈয়ে অবাঞ্চনীয়। নতুন দিল্লীত আজি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে, ভাৰতৰ নিৰ্বাচনী আৰু আইনী প্ৰক্ৰিয়া সন্দৰ্ভত অন্য দেশৰ অভিযোগ সম্পূৰ্ণৰূপে অগ্ৰহণযোগ্য।

ভাৰতে এই সন্দৰ্ভত কালি আমেৰিকাৰ দুতাবাসৰ জ্যেষ্ঠ বিষয়াক তলব কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মুখপাত্ৰগৰাকীয়ে কয় যে, ভাৰতত আইনৰ শাসন ব্যৱস্থাৰ অধীনত আইনী প্ৰক্ৰিয়া পৰিচালিত হয়। তেওঁ কয় যে বিশেষকৈ একে ধৰণৰ গণতান্ত্ৰিক ব্যৱস্থা অনুসৰণ কৰা দেশ এখনে এই তথ্য মানি লোৱাত কোনো ধৰণৰ জটিলতা থাকিব নালাগে। ভাৰত নিজৰ স্বতন্ত্ৰ আৰু শক্তিশালী গণতান্ত্ৰিক প্ৰতিষ্ঠানক লৈ গোৰৱান্বিত আৰু এনে প্ৰতিষ্ঠানসমূহক অনুচিত বাহ্যিক হেচাৰ পৰা ৰক্ষা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখপাত্ৰগৰাকীয়ে উল্লেখ কৰে। শ্ৰীজয়ছোৱালে কয় যে, পাৰস্পৰিক সন্মান আৰু বুজাপৰা আন্তৰাষ্ট্ৰীয় সম্পৰ্কৰ মূল ভেটি আৰু এখন দেশে আন এখন দেশৰ সাৰ্বভৌমত্ব তথা অভ্যন্তৰীণ বিষয়ৰ প্ৰতি সন্মান কৰিব বুলি আশা কৰা হয়।

০০০০

বেংগালুৰুৰ হিন্দুস্তান এৰোনেটিক লিমিটেডৰ কেন্দ্ৰৰ পৰা আজি লঘু যুঁজাৰু বিমান **তেজছ এম কে ওৱান এ**ৰ প্ৰথম উৰণ সম্পন্ন কৰা হয়। এই বিমান অত্যাধুনিক বৈদ্যুতিন ৰাডাৰ, যোগাযোগ প্ৰণালী আৰু সমৰ প্ৰণালীৰে সুসজ্জিত। তদুপৰি এই বিমানসমূহত বৈদ্যুতিনভাৱে স্কেন কৰা এৰে ৰাডাৰ, বৈদ্যুতিন সমৰসজ্জা কক্ষ, দৃশ্য সীমা অতিক্ৰমী নিক্ষেপ কৰিব পৰা ক্ষেপনাস্ত্ৰ আৰু মাজ আকাশতে ইন্ধন ভৰাব পৰা সুবিধা আছে।

০০০০

কংগ্ৰেছে দেশৰ মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ বৰ্ধিত ঘটনাক লৈ বিজেপিক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত মহিলা কংগ্ৰেছৰ সভাপতি অলকা লাম্বাই ব্ৰীজভূষণ সিঙৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰাক লৈ প্ৰশ্ন উত্থাপন কৰে। তেওঁ লগতে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ ছাত্ৰীক দলবদ্ধ ধৰ্ষণৰ ঘটনাত তথাকঠিতভাৱে জড়িত থকা বুলি অভিযোগ উঠা বিজেপিৰ তথ্য প্ৰযুক্তি কোষৰ কৰ্মকৰ্তাসকলক লৈ প্ৰশ্ন উত্থাপন কৰে।

০০০০

দিল্লীৰ এখন আদালতে সুৰা নীতি কেলেংকাৰী সম্পৰ্কীয় ক'লাধন বৈধকৰণৰ গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ বিধি বলবৎকাৰী সঞ্চালকালয়ৰ জিম্মাৰ ম্যাদ পহিলা এপ্ৰিললৈ বৃদ্ধি কৰিছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে তেওঁক ২১ মাৰ্চত গ্ৰেপ্তাৰ কৰিছিল।

ৰাউজ এভিনিউ আদালতত বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাই আজি ৬ দিনীয়া জিম্মাৰ ম্যাদ শেষ হোৱাৰ অন্তত কেজৰিৱালক আদালতত হাজিৰ কৰোৱাৰ পাছত এই ৰায় দিয়ে। দিল্লী উচ্চ ন্যায়ালয়ে কালি শ্ৰীকেজৰিৱালক অন্তৰ্বৰ্তী সকাহ প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু মুখ্যমন্ত্ৰীগৰাকীৰ গ্ৰেপ্তাৰ তথা জিম্মা সম্পৰ্কীয় আবেদন সন্দৰ্ভত বিধি বলবৎকাৰী সঞ্চালকালয়লৈ জাননী জাৰি কৰিছিল।

০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল’গান আৰু জিংগল্ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা বিষয়ক এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল’ব পাৰিব। শ্ল’গান বা জিংগল্সমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিৱিষ্ট কৰি পঠিয়াব লাগিব।

০০০০

ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি. ভি. সিন্ধু মাড্ৰিদ স্পেইন মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে আজি প্ৰি কোৱাৰ্টাৰ পাইনেলত টাইৱানৰ ৱাই হুৱাঙক ২১-১৪, ২১-১২ পোনপটীয়া গেমত পৰাস্ত কৰে।

০০০০

সমাপ্ত